**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-03-2024
**Time :** 18-00 Hrs.

***ASSAMESE REGIONAL BULLETIN***

**::::::::::::::::   ::::::::::::::::::**

নিৰ্বাচন আয়োগে সমাগত লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিছে। এই অনুসৰি ৭টা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৪ জুনত ভোটগণনা কৰা হ'ব। অসমত ৩টা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিল, দ্বিতীয় পৰ্যায়ত ২৬ এপ্ৰিল আৰু তৃতীয় পৰ্যায়ত ৭ মে'ত ভোটগ্ৰহণ কৰা হ'ব। প্ৰথম পৰ্যায়ৰ বাবে অহা ২০ মাৰ্চত অধিসূচনা জাৰি কৰা হ'ব। মনোনয়ন দাখিলৰ অন্তিম দিন ২৭ মাৰ্চ আৰু মনোনয়ন প্ৰত্যাহাৰৰ শেষ দিন ৩০ মাৰ্চ ধাৰ্য কৰা হৈছে। ৰাজ্যখনত নৱগঠিত কাজিৰঙা সমষ্টিৰ উপৰি শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত প্ৰথম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰা হৈছে। একেদৰে দৰং- ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। আয়োগে লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে কেইখনমান ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সূচীও প্ৰকাশ কৰে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি নতুন দিল্লীত এই বিষয়ে ঘোষণা কৰে। তেওঁ কয় যে, দেশৰ সৰ্ববৃহৎ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ বাবে আয়োগে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

সমাগত লোকসভা নিৰ্বাচনত ৯৬ কোটি ৮০ লাখ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব আৰু ইয়াৰে ৪৭ কোটিৰো অধিক মহিলা ভোটদাতা। তদুপৰি ১ কোটি ৮২ লাখ নতুন ভোটদাতাই এইবাৰৰ নিৰ্বাচনত ভোটদান কৰিব।

দেশৰ ১০ লাখ ৫০ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ৮৫ বছৰৰ ঊৰ্ধ্বৰ আৰু ৪০ শতাংশ শাৰীৰিকভাৱে বাধাগ্ৰস্ততা থকা লোকে ঘৰৰ পৰা ভোটদান কৰিব পাৰিব। উল্লেখযোগ্য যে গুৰুতৰ অপৰাধৰ তথ্য থকা কোনো প্ৰাৰ্থীক নিৰ্বাচনত অৱতীৰ্ণ কৰোৱাব বিচাৰিলে ৰাজনৈতিক দলে সেই সন্দৰ্ভত বিতং যুক্তি দৰ্শোৱাব লাগিব। আয়োগে লগতে কয় যে, আসন্ন নিৰ্বাচন স্বচ্ছ নিকা, অবৈধ ধনৰ সৰবৰাহ মুক্ত আৰু ভুৱা তথ্যৰ প্ৰচাৰৰ পৰা মুক্তভাৱে পৰিচলনাৰ লগতে নিৰ্বাচনী আৰ্হি আচৰণ বিধি বলৱৎ হোৱাটো নিশ্চিত কৰা হ'ব।

নিৰ্বাচনৰ সময়ত ধনৰ অবৈধ লেনদেন ৰোধ কৰাৰ বাবে বিধি বলৱৎকাৰী সংস্থাসমূহক কঠোৰভাৱে নিৰীক্ষণ কৰিববলৈ নিৰ্বাচন আয়োগে নিৰ্দেশ দিছে। আয়োগে ৰাজনৈতিক দলসমূহক সামাজিক মাধ্যম ব্যৱহাৰৰ ক্ষেত্ৰত দায়বদ্ধতা বজাই ৰাখিবলৈ পৰামৰ্শ আগবঢ়াইছে। ভুৱা বাতৰি প্ৰচাৰ কৰা সকলৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও প্ৰকাশ কৰা হৈছে। তদুপৰি আয়োগে নিৰ্বাচন পৰিচালনা কৰা কৰ্তৃপক্ষসমূহলৈ

ন্যূনতম কাকতৰ ব্যৱহাৰ আৰু সঠিক আৱৰ্জনা ব্যৱস্থাপনাৰ দ্বাৰা বহনক্ষম ৰূপত নিৰ্বাচন অনুষ্ঠিত কৰাৰ পৰামৰ্শ দিছে। উল্লেখযোগ্য যে চলিত লোকসভাৰ কাৰ্যকাল ১৬ জুনত অন্ত পৰিব।

0000000

অসম লোকসেৱা আয়োগৰ চলিত বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰাৰম্ভিক পৰীক্ষা অহা ১৮ মাৰ্চত অনুষ্ঠিত হব। ৰাজ্যখনৰ অন্যান্য প্ৰান্তৰ লগতে লখিমপুৰ জিলাৰ উত্তৰ লখিমপুৰ স্বায়ত্ত শাসিত মহাবিদ্যালয়, লখিমপুৰ বাণিজ্য মহাবিদ্যালয় আৰু লখিমপুৰ বালিকা মহাবিদ্যালয় স্থাপন কৰা কেন্দ্ৰটো পুৱা দহ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ আৰু বিয়লি ২ বজাৰ পৰা ৪ বজালৈ এই পৰীক্ষা অনুষ্ঠিত হব। এই পৰীক্ষা স্বচ্ছ, নিকা আৰু সুকলমে অনুষ্ঠিত কৰাৰ প্ৰতি লক্ষ্য ৰাখি লখিমপুৰ জিলা প্ৰশাসনৰ দ্বাৰা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণ বিভাগৰ কাৰ্যালয়ত এটা নিয়ন্ত্ৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। নিয়ন্ত্ৰণকক্ষৰ ফোন নম্বৰ হৈছে ০৩৭৫২-২৪৫৭৬১, আৰু ৬০০০১-৪৪৬২৪। এই পৰীক্ষাৰ দিনা পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ পৰীক্ষা সন্দৰ্ভত নিয়ন্ত্ৰণ কক্ষত যোগাযোগ কৰিব পাৰিব।

0000000

নগাঁও জিলাৰ শ্ৰীশ্ৰী বটদ্ৰৱা থানত সমাগত দৌল মহোৎসৱ উদযাপন প্ৰস্তুতি সন্দৰ্ভত আজি নগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন যুটীয়া বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত জিলা আৰক্ষী অধীক্ষক, মহকুমাধিপতি, আৰক্ষী বিষয়াসকল, যান বাহন আৰক্ষীৰ বিষয়া, বটদ্ৰৱা থানৰ সত্ৰাধিকাৰসকল, থান পৰিচালনা সমিতিৰ সভাপতি-সম্পাদক আৰু বিভিন্ন বিভাগৰ দায়িত্বপ্ৰাপ্তসকল উপস্থিত থাকে। বৈঠকত দৌল উৎসৱৰ দিনকেইটা শান্তি-শৃংখলা অটুট ৰখাৰ উপৰি যান-বাহন নিয়ন্ত্ৰণ, স্বাস্থ্যসেৱা, পানী যোগান, জৰুৰীসেৱা নিশ্চিত কৰাৰ সন্দৰ্ভত কেতবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

0000000

সদৌ অসম ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত আৱাহন যুগৰ কবি হৰিপ্ৰসাদ ৰায়ৰ ১০৯ সংখ্যক জয়ন্তী উপলক্ষে তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত এটা ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। এই ৰক্তদান শিবিৰত শতাধিক ব্যক্তিয়ে ৰক্তদান কৰে।

0000000

চিৰাং জিলাৰ কাজলগাওঁত থকা ভাৰতীয় ষ্টেট বেংকৰ গ্ৰাম্য স্বনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত যোৱা ৭ মাৰ্চৰ পৰা আৰম্ভ হোৱা দুগ্ধ উৎপাদন, মৌপালন আৰু ইয়াৰ শোধন প্ৰক্ৰিয়াৰ প্ৰশিক্ষণ আজি সামৰণি পৰে। দুগ্ধ উৎপাদন কৰ্মশালাত ৪০ গৰাকী আৰু মৌপালন সম্পৰ্কীয় কৰ্মশালাত ২৫ গৰাকী যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজিত সভাত চিৰাং জিলাৰ কৃষি বিভাগৰ সহকাৰী সঞ্চালক বিনোদ বসুমতাৰী আৰু গ্ৰাম্য স্বনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সঞ্চালক কৃষ্ণ বড়োৱে বক্তব্য আগবঢ়ায়।

0000000

ঃসমাপ্তঃ